বিদ্যালয়ত নিৰ্দিষ্ট সমাজৰ সদস্যৰ সৈতে আহৰণ কৰা প্ৰকৃত জীৱন দৰ্শনৰ অভিজ্ঞতা কাৰ্য কেৱল, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক উপকৃত কৰাই নহয়, ই বিদ্যালয় আৰু সমাজ সম্প্ৰদায়ৰ মাজত এক সু-সম্পৰ্ক গঢ়ি তোলে। এনেধৰণৰ শিকন-শিক্ষণ কাৰ্যাৱলী, স্থানীয় উপলব্ধ সম্পদৰ দ্বাৰা এক বহুলভিত্তিক সাধাৰণ, মনোগ্ৰাহী তথা উদ্ভাৱনমূলক কাৰ্য হিচাপে সম্পাদন কৰিব পাৰি।

এই কাঠ্যসূচীয়ে শিক্ষক-ছাত্ৰসকলক মান নিৰূপনৰ উদ্দেশ্য আৰু পদ্ধতিসমূহ শিকন-শিক্ষণৰ ন ন আহিলা/কৌশলৰ সৈতে পুনঃনিৰীক্ষণ কৰাত উদ্‌গনি যোগাব। যাৰ বাবে মান নিৰূপনৰ উদ্দেশ্যৰ আৰু পদ্ধতিৰ পুনঃ ব্যাখ্যা, আহিলা আৰু কৌশলৰ প্ৰয়োজনীয়তা আছে।

**সূচীপত্ৰ ঃ**

**খণ্ড ঃ ১**

**প্ৰাথমিক পৰ্যায়ত পৰিৱেশ অধ্যয়নৰ শিকন-শিক্ষণৰ প্ৰয়োজনীয়তা/গুৰুত্ব।**

**গোট ঃ ১**

**শিক্ষণৰ প্ৰাৰম্ভিক পৰ্যায়ত পৰিৱেশৰ গুৰুত্ব**

⇨ পৰিৱেশ সম্পৰ্কীয় বোধ

⇨ পৰিৱেশ প্ৰয়োজনীয়তা ঃ পৰিৱেশ প্ৰকাৰ-প্ৰাকৃতিক আৰু মানৱ-নিৰ্মিত সামাজিক সাংস্কৃতিক আৰু অৰ্থনৈতিক পৰিৱেশ। প্ৰকৃতি পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তা; পৰিয়ালৰ আন সদস্য, প্ৰতিবেশী, সমাজ, জাতি আৰু পৃথিৱীৰ লগত শান্তি-সম্প্ৰীতি বজাই ৰখা।

⇨ পৰিৱেশ আৰু শিশু ঃ শিশুৰ বৃদ্ধি আৰু বিকাশত পৰিৱেশৰ প্ৰভাৱ, শিশুৰ তাই/তাৰ নিজৰ পৰিৱেশ সম্পৰ্কে ধাৰণা

⇨ শিক্ষণৰ বাবে পৰিৱেশৰ মূল্য/মহত্ত্ব।

**গোট ঃ ২**

**প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়নৰ শিকন-শিক্ষণৰ উদ্দেশ্যসমূহ আৰু পৰিসৰ**

⇨ প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়ন কিয় জৰুৰী

⇨ NCF ২০০৫ ৰ মতে, প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়ন শিকন-শিক্ষণৰ উদ্দেশ্যসমূহ

⇨ পৰিৱেশ অধ্যয়নত নিহিত মূল্যাসমূহ

⇨ শিকনীয় মূল্যসমূহ ঃ পৰ্যবেক্ষণ শৈলী /কৌশল, প্ৰাসংগিকতা/প্ৰাসংগিকতা, পৰীক্ষা-নিৰীক্ষা, ধাৰণা বিকাশ (extrapolation)

⇨ আমাৰ পৰিৱেশৰ মূল্য ঃ ভাৰতীয় ঐতিহ্য।

**গোট ঃ ৩**

**প্ৰাথমিক পৰ্যায়ত/স্তৰত পৰিৱেশ অধ্যয়নৰ ধাৰণা সম্বন্ধীয় শিক্ষাদানৰ শৈলী**

⇨ পৰিৱেশ অধ্যয়নৰ বৈশিষ্ট্য ঃ মিশ্ৰিত যৌথ, প্ৰাসংগিক, শিক্ষাৰ্থীকেন্দ্ৰিক, ভুল-শুদ্ধহীন, মূল্যবোৰ পৰিৱেশ অধ্যয়নৰ অনবদ্য উপাদান

⇨ শিশুৱে কেনেকৈ শিকে ?

⇨ পৰিৱেশ অধ্যয়নৰ শিকন-শিক্ষণৰ শিক্ষাদান শৈলী সম্বন্ধীয় অনুষ্ঠান ঃ শিশুৰ পৰিৱেশ

  ⇨ শিক্ষণীয় গৱেষণাগাৰ

  ⇨ অনুসন্ধানৰ সুবিধা প্ৰদান জনাৰপৰা নজনালৈ আৰু মূৰ্ত্তৰপৰা বিমূৰ্ত্তলৈ

  ⇨ শ্ৰেণীকোঠাত জীৱন ভিত্তিক শিক্ষণ

- ⇨ অনুশাসনৰ মাজত আৰু উৰ্ধত
- ⇨ সংলাপ আৰু প্ৰশ্নসোধাৰ প্ৰতি উদ্‌গনি জনোৱা

⇨ শিশুৰ বিশ্বৰ বহল প্ৰসাৰ।

**গোট ঃ ৪**

**প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়নৰ পাঠ্যক্ৰমিক ব্যৱস্থা**

⇨ পৰিৱেশ অধ্যয়নৰ উদ্দেশ্যসমূহ, NCF ২০০৫ অনুসৰি

- ⇨ বিষয়বস্তুৰ পৰা পাঠ্যপুথিলৈ
- ⇨ পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথি
- ⇨ শ্ৰেণীকোঠা আৰু পাঠ্যপুথিৰ উৰ্ধত
- ⇨ পৰিৱেশ অধ্যয়নৰ শিক্ষাদান প্ৰক্ৰিয়াৰ প্ৰত্যাহ্বানসমূহ।

**মণ্ডল ঃ ২**

**পাঠ্যক্ৰম আৰু পৰিৱেশ অধ্যয়নৰ শিক্ষদানশৈলী**

**গোট ঃ ৫**

**পৰিৱেশ অধ্যয়নৰ শিকন-শিক্ষণৰ দৃষ্টিভংগীসমূহ/ ব্যৱস্থাসমূহ**

⇨ পৰিৱেশ অধ্যয়নৰ ধাৰণা আদান-প্ৰদানৰ কাৰ্য-ভিত্তিক দৃষ্টিভংগী, দলীয়-সংহত আৰু সহযোগিতা দৃষ্টিভংগী

⇨ সহযোগী/সংঘবদ্ধ শিক্ষণৰ প্ৰত্যাহ্বানসমূহ।

**গোট ঃ ৬**

**পৰিৱেশ অধ্যয়নৰ শিকন-শিক্ষণৰ পদ্ধতিসমূহ**

⇨ পৰ্যবেক্ষণ পদ্ধতি, সৃষ্টিশীল ব্যাখা/ বৰ্ণনা (নাটক, নৃত্য, পুতলানাচ, গান, সৃষ্টিশীল লিখন), ক্ষেত্ৰদৰ্শন, প্ৰকল্প, ক্ষুদ্ৰ-দলীয় আলোচনা, পৰীক্ষা-নিৰীক্ষা, পৰিৱেশ অধ্যয়নৰ ধাৰণা সম্পৰ্কীয় শিকন-শিক্ষণত সমস্যা-সমাধান পদ্ধতি।

**গোট ঃ ৭**

**পৰিৱেশ অধ্যয়নৰ শিকন-শিক্ষণৰ পৰিকল্পনা**

⇨ নিতৌ /দৈনন্দিন পাঠ-টোকা আৰু বাৰ্ষিক পাঠ আঁচনি প্ৰস্তুতকৰণ

⇨ পৰিৱেশ অধ্যয়নৰ বিষয়ভিত্তিক পাঠ-আঁচনি প্ৰস্তুতকৰণ

⇨ পৰিৱেশ অধ্যয়নৰ শিক্ষণীয় বিষয়সূচক গঠন আৰু ইয়াৰ শিকনীয়-দৈনন্দিন আৰু বাৰ্ষিক আঁচনিসমূহত প্ৰয়োগ।

**গোট ঃ ৮**

**পৰিৱেশ অধ্যয়নৰ শিকন-শিক্ষণৰ বাবে সম্পদ আৰু সামগ্ৰীসমূহ**

⇨ পৰিৱেশ অধ্যয়নৰ বাবে স্থানীয় সম্পদ আৰু স্থানীয় অভিজ্ঞ ব্যক্তিৰ চিনাক্তকৰণ/ নিৰ্বাচন

⇨ উপযুক্ত শিকন-শিক্ষণ কৌশলৰ বাবে স্থানীয় শিক্ষণ সম্পদ/সমলৰ ব্যৱহাৰ/ প্ৰয়োগ।

⇨ সামগ্ৰী/ সম্পদৰ ভড়াল ঃ সামাজিক সম্পদ, আন আন সম্পদৰ বিকাশ সাধন, পৰিচালনা, আৰু ব্যৱহাৰিতা-বাতৰিকাকতৰ প্ৰতিবেদন, চিনেমা, ছবি/ ফটো, আলোকচিত্ৰ, বীজ-সংগ্ৰহ, ফুল, মূৰ্তি মানচিত্ৰ, স্থানীয় ঠাইৰ মানচিত্ৰ।

⇨ শিশু আৰু সমাজৰ ব্যক্তিসকলৰ, পৰিৱেশ অধ্যয়নৰ ব্যৱহৃত প্ৰাসংগিক শিকন-শিক্ষণ সামগ্ৰীসমূহৰ যুগতকৰণ, প্ৰস্তুতকৰণ আৰু মজুতকৰণৰ ক্ষেত্ৰত ভূমিকা সম্পৰ্কে বোধ।

**মণ্ডল ঃ ৩**

**পৰিৱেশ অধ্যয়ন শিক্ষণৰ মান-নিৰূপন**

**গোট ঃ ৯**

**পৰিৱেশ অধ্যয়ন শিক্ষণৰ মান নিৰূপন**

⇨ শিকনৰ উদ্দেশ্য সম্বন্ধীয় মান নিৰূপন

⇨ পৰিৱেশ অধ্যয়নৰ শিক্ষণৰ উদ্দেশ্যসমূহৰ প্ৰসংগত শিক্ষাৰ মান-নিৰূপনৰ গুৰুত্ব আৰু উদ্দেশ্য লক্ষ্য।

⇨ পৰিৱেশ অধ্যয়ন শিক্ষণৰ মান-নিৰূপনৰ বিভিন পথ-পদ্ধতিসমূহৰ আলোচনা, পৰিৱেশ অধ্যয়নৰ অবিৰত আৰু সামগ্ৰিক মূল্যায়ন (CCE)

⇨ মান নিৰূপনৰ প্ৰকাৰ, মান নিৰূপনৰ বৈশিষ্ট্যসমূহ

⇨ শিক্ষণকেন্দ্ৰীক মান-নিৰূপন।

**গোট ঃ ১০**

**পৰিৱেশ অধ্যয়নৰ শিক্ষণৰ মান-নিৰূপনৰ আহিলা আৰু কৌশলসমূহ**

⇨ মান নিৰূপনৰ বিভিন্ন আহিলাৰ প্ৰস্তুতকৰণ, নিৰ্বাচন আৰু ব্যৱহাৰ

* পৰীক্ষা (Tests)
* পৰ্যাবেক্ষণ সূচী (Observation Schedule)
* গণনা জোখ (Rating Scales)
* শ্ৰব্য-দৃশ্য ৰেকৰ্ডিং

⇨ মান নিৰ্দ্ধপনৰ কৌশল

⇨ শিক্ষণীয় উদ্দেশ্যসমূহৰ মান নিৰ্দ্ধপনৰ বিচাৰ বিবেচনা।

**গোট ঃ ১১**

**ছাত্ৰ-ছাত্ৰীৰ বোধগম্যতাৰ উন্নীতকৰণত মান-নিৰ্দ্ধপনৰ ফলাফলৰ ব্যৱহাৰ**

⇨ মান নিৰ্দ্ধপনৰ ফলাফলৰ ৰেকৰ্ডিং আৰু

⇨ শিকন-শিক্ষণ প্ৰতিক্ৰয়াক পুনঃ নিৰীক্ষণ আৰু উন্নত কৰা

⇨ পৰিৱেশ অধ্যয়নৰ ধাৰণা শিক্ষণৰ বিস্তৃত বলিষ্ঠকৰণৰ ক্ষেত্ৰত বিভিন্ন উপযোগিতামূলক কাৰ্যাৱলীৰ পৰিকল্পনা আৰু অনুষ্ঠিতকৰণ।

**পাঠ্যসূচী ঃ ৮ ঃ ৫০৮**

**প্ৰাথমিক পৰ্যায়ত কলা, স্বাস্থ্য আৰু শাৰিৰীক আৰু কৰ্ম শিক্ষাৰ শিক্ষণ**

**মুঠ ক্ৰেডিট** ৪(৩+১)

**কাঠ্যসূচীৰ আৰ্হিঃ**

এই পাঠ্যসূচী প্ৰতিজন শিৰ্ক্ষাৰ্থীক কলা, স্বাস্থ্য আৰু শাৰিৰীক আৰু কৰ্ম শিক্ষাৰ ক্ষেত্ৰত সম্পূৰ্ণ শিক্ষণ দিয়াৰ অৰ্থে প্ৰস্তুত কৰা হৈছে। এই তিনিটা উপাদানৰ বিষয়ে প্ৰাথমিক শিক্ষকসকলক যথেষ্ট জ্ঞান আৰু শৈলীসম্পৰ্কীয় জ্ঞান দিয়া হৈছে যাতে তেওঁলোকে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলৰক এই ক্ষেত্ৰত শিক্ষণ সম্পৰ্কে সকলো সুবিধা প্ৰদান কৰিব পাৰে। এই পাঠ্যসূচীৰ বিষয়বস্তুৰ প্ৰতিটো উপাদানৰ নিৰ্দ্ধপন (Weightage) তলত পৃথককৈ দিয়া হৈছে।

**১. কলা শিক্ষা ঃ**

**পাঠ্যসূচীৰ যুক্তিযুক্ততা আৰু লক্ষ্য ঃ**

কলা শিক্ষাই শিক্ষাৰ্থীসকলক সৃষ্টিশীল কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সুযোগ প্ৰদান কৰে। ই সমাজ এখনৰ সংস্কৃতিৰ প্ৰতি, জীৱনশৈলীৰ উন্নীতকৰণ, মূল্যবোধ শিক্ষা, অনুভৱশীলতাক বিকাশ আৰু সন্মান প্ৰদৰ্শনৰ বোধ জন্মায়। কলা, সেই-দৃশ্যকলাই হওঁক বা পৰিৱেশ্য কলাই হওঁক, ই এক অৰ্ন্তনিহিত অভিজ্ঞতা যাক কেৱল ভাবিব বা অনুভৱ কৰিব পাৰি। ই দুয়োটা “কৰা” আৰু “থোৱা”। বিদ্যালয়ৰ প্ৰাথমিক পৰ্যায়ৰ শিক্ষকসকলে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলৰ কলা সম্পৰ্কীয় বিকাশ আৰু সৃষ্টিশীল প্ৰকাশৰ বিষয়ে বুজিব লাগিব আৰু তাৰ কাৰণে এক সুস্থ পৰিৱেশৰ গঢ় দিব লাগিব য'ত এক পৰীক্ষামূলক শিক্ষণ সম্ভৱপৰ। এখন সুপৰিকল্পিত কলাশিক্ষাৰ পাঠ্যসূচীয়ে

ছাত্ৰশিক্ষকসকলৰ মাজত সৌন্দৰ্যৰ অনুভৱ, কলাত্মক দক্ষতা আৰু সৃষ্টিশীল শৈলীৰ বিকাশ সাধন কৰিব পাৰে।

**বিশেষ উদ্দেশ্যসমূহ ঃ**

শিক্ষক প্ৰশিক্ষাৰ্থীসকল শিকিব--

- ➩ কলাশিক্ষাৰ বোধ আৰু সমাদৰ
- ➩ কলা শিক্ষাৰ অধীনত থকা বিভিন্ন কলাৰূপসমূহৰ জ্ঞান
- ➩ প্ৰতিজন শিশুৰ সম্পূৰ্ণ বিকাশৰ বাবে কলাশিক্ষাৰ যথাযথ/ভৰপূৰ প্ৰয়োগ
- ➩ বাস্তৱিক অন্বেষণ, পৰীক্ষা নিৰীক্ষা আৰু মুক্ত প্ৰকাশৰ দ্বাৰা বিভিন্ন কলাৰূপসমূহৰ প্ৰতি সৌন্দৰ্য প্ৰকাশ কৰি, কলাত্মক আৰু সৌন্দৰ্য অনুভৱশীলতাৰ/ সংবেদনশীলতাৰ বিকাশ
- ➩ প্ৰাথমিক বিদ্যালয়ৰ সকলো পাঠ্যক্ৰমৰ কলাৰূপসমূহক একত্ৰিত কৰা।

**মণ্ডল ঃ ১**

**কলা শিক্ষা**

**গোট ঃ ১**

**কলা আৰু কলা শিক্ষাৰ বোধ (তত্ত্ব)**

ক) কলাশিক্ষাৰ অৰ্থ আৰু ধাৰণা; দৃশ্য আৰু পৰিৱেশ্য কলা আৰু ইহঁতৰ বিদ্যালয় শিক্ষাৰ প্ৰাথমিক পৰ্যায়ত মহত্ত্ব

খ) শিশু কলাৰ বোধ

গ) বিদ্যালয় শিক্ষাৰ প্ৰাথমিক পৰ্যায়ত কলা শিক্ষাৰ (দৃশ্য আৰু পৰিৱেশ্য) গুৰুত্ব

ঘ) শিক্ষাত আঞ্চলিক কলা আৰু শিল্পৰ প্ৰাসংগিকতা।

**গোট ঃ ২**

**দৃশ্য কলা আৰু শিল্প (ব্যৱহাৰিক)**

ক) দৃশ্যকলাৰ বিভিন্ন সামগ্ৰীৰ ব্যৱহাৰ/ প্ৰয়োগ যেনে পেঞ্চিল, পেষ্টেল ৰং (Pastel colour), পোষ্টাৰ ৰং (Poster colour), কলম আৰু চিয়াহী, ৰংগোলীৰ সামগ্ৰী, বোকামাটি, মিশ্ৰিত সামগ্ৰী ইত্যাদি।

খ) দৃশ্য কলাৰ বিভিন্ন পদ্ধতিৰ অন্বেষণ আৰু প্ৰয়োগ ঃ ছবিঅঁকা আৰু চিত্ৰকাৰিতা, ব্লক মুদ্ৰণ, ক'লাজ বনোৱা, পুতলা নাচ, মুখা নিৰ্মাণ, বোকামাটিৰ আৰ্হি প্ৰস্তুতকৰণ, কাগজ কটা আৰু ভাজ কৰা ইত্যাদি।

গ) সকলো ব্যৱহাৰিক কাৰ্যসমূহৰ এটা ফল্ডাৰ (Folder প্ৰস্তুত কৰা, য'ত সকলো কলা কাৰ্যৰ এটা নমুনা সংৰক্ষণ কৰা হ'ব।

**গোট ঃ ৩**

**পৰিৱেশ্যকলা (ব্যৱহাৰিক)**

ক) আঞ্চলিক কলাৰূপসমূহৰ গীত, নৃত্য, থিয়েটাৰ আৰু পুতলা নাচ শ্ৰৱণ/ দৰ্শন আৰু অন্বেষণ

খ) বিভিন্ন কলাৰূপৰ-গীত, নৃত্য, থিয়েটাৰ আৰু পুতলা নাচৰ, যিকোনো এটাৰ ওপৰত প্ৰস্তুত কৰি পৰিৱেশন কৰা

গ) ছাত্ৰ শিক্ষকসকলৰদ্বাৰা এক পৰিৱেশন/ প্ৰস্তুতকৰণ উপস্থাপন

ঘ) সকলোবোৰ ব্যৱহাৰিক কাৰ্যাৱলীৰ এটা ফ'ল্ডাৰ (Folder) বনোৱা।

**গোট ঃ ৪**

**প্ৰাথমিক শ্ৰেণীৰ বাবে কলা শিক্ষাৰ পৰিকল্পনা আৰু সংগঠন**

ক) প্ৰাথমিক শ্ৰেণীত কলা অভিজ্ঞতাৰ পৰিকল্পনা-কাৰ্য আৰু সময়সূচী

খ) কলা অভিজ্ঞতাৰ বাবে সামগ্ৰীসমূহৰ আয়োজন

গ) প্ৰাথমিক পৰ্যায়ত কলা অভিজ্ঞতাৰ বাবে সংগংন আৰু সুবিধা প্ৰদান।

**গোট ঃ ৫**

**কলা শিক্ষাৰ মূল্যায়ন**

ক) কলাশিক্ষাৰ মূল্যায়ন

খ) প'টফলিঅ (Portfolio) বনোৱা

গ) মূল্যায়নৰ বিভিন্ন আহিলা আৰু কৌশলৰ বোধ যেনে-- পৰ্যাবেক্ষণ সূচী, প্ৰকল্প, প'টফলিঅ, বিৰাম তালিকা (Checklist), গণনা জোখ (Rating scale), জীৱন-কাহিনী পত্ৰ (Anedcotal Records), প্ৰদৰ্শন (Displays) ইত্যাদি।

**২. স্বাস্থ্য আৰু শাৰিৰীক শিক্ষা**

**পাঠ্যসূচীৰ যুক্তিযুক্ততা আৰু উদ্দেশ্য ঃ**

বিদ্যালয়ৰ সকলো পৰ্যায়ত স্বাস্থ্য আৰু শাৰিৰীক শিক্ষা এক অবিভাজিত অংশ। বিদ্যালয় পৰ্যায়ত, স্বাস্থ্য আৰু শাৰিৰীক শিক্ষাৰ ক্ষেত্ৰত হোৱা গৱেষণাই এই বিষয়টোৰ প্ৰভাৱী শিকন-শিক্ষন প্ৰক্ৰিয়াত নিতৌ ন ন পদ্ধতি আৰু কৌশলৰ সংযোজন ঘটাইছে। এখন সংসগঠিত শিক্ষক

শিক্ষা কাৰ্যসূচী (Programme) ছাত্ৰ আৰু শিক্ষক সমাজৰ মাজত সুস্থ জীৱন যাপন নিৰ্বাহৰ শৈলী আৰু জ্ঞান লাভ কৰাত সহায় কৰিব। স্বাস্থ্য আৰু শাৰিৰীক শিক্ষা কাৰ্যসূচী যেতিয়া ফলপ্ৰসু ভাৱে ৰূপায়িত হ'ব তেতিয়া শিক্ষাৰ্থীসকলে সুস্থ আৰু সক্ৰিয় জীৱন নিৰ্বাহ সম্পৰ্কে জ্ঞান লাভ কৰিব। স্বাস্থ্য আৰু শাৰিৰীক শিক্ষা কাৰ্যসূচীৰ শৈক্ষিক উপলবদ্ধিতা, আৱেগিক স্থিৰতা আৰু পাৰস্পৰিক সম্পৰ্কৰ ওপৰত এক সকাৰাত্মক প্ৰভাৱ আছে। এইসমূহ কেৱল এখন সুসংগঠিত আৰু সুপৰিকল্পিত শিক্ষক শিক্ষা কাৰ্যসূচীৰ দ্বাৰাহে সম্ভৱপৰ যাৰদ্বাৰা স্বাস্থ্য আৰু শাৰিৰীক শিক্ষাৰ ক্ষেত্ৰত শিক্ষকসকলক এক ফলপ্ৰসূ প্ৰশিক্ষণ দিব পাৰি।

**বিশেষ উদ্দেশ্য ঃ**

**শিক্ষক প্ৰশিক্ষাৰ্থীসকলে শিকিব–**

ক) স্বাস্থ্য আৰু শাৰিৰীক শিক্ষাৰ ধাৰণাৰ ওপৰত সম্পূৰ্ণবোধ

খ) বিদ্যালয় স্বাস্থ্য কাৰ্যসূচীৰ প্ৰধান দিশসমূহৰ ওপৰত জ্ঞান আৰু অভিজ্ঞতা ঃ স্বাস্থ্যপূৰ্ণ বিদ্যালয় পৰিৱেশ, স্বাস্থ্য নিৰ্দেশনা, বিদ্যালয় স্বাস্থ্য সেৱা

গ) ছাত্ৰৰ ব্যক্তিত্বৰ এক বিকাশৰ ধাৰণা

ঘ) শিশুসকলৰ একত্ৰিত বিকাশৰ দিশ-- যেনে--শাৰিৰীক, আৱেগিক, মানসিক, সামাজিক আৰু আধ্যাত্মিকৰ ওপৰত আলোকপাত কৰি এখন ফলপ্ৰসূ শাৰিৰীক শিক্ষা কাৰ্যসূচী ৰূপায়িত কৰা

ঙ) বিদ্যালয়ৰ শিশুসকলৰ বাবে যোগশিক্ষাৰ গুৰুত্ব সম্পৰ্কে বোধ, বিদ্যালয়ত যোগশিক্ষাৰ শিক্ষাদানৰ বিভিন্ন শৈলী কৌশল সম্পৰ্কে জ্ঞান অৰ্জন।

**মণ্ডল ঃ ২**

**স্বাস্থ্য আৰু শাৰিৰীক শিক্ষা**

**গোট ঃ ৬**

**স্বাস্থ্যৰ অৰ্থ আৰু মহত্ব**

ক) স্বাস্থ্য সম্পৰ্কে ধাৰণা ঃ শাৰিৰীক স্বাস্থ্য, মানসিক স্বাস্থ্য, আৱেগিক স্বাস্থ্য, সামাজিক স্বাস্থ্য আৰু আধ্যাত্মিক স্বাস্থ্য

খ) ব্যক্তি, পৰিয়াল আৰু সমাজৰ বাবে স্বাস্থ্যৰ মহত্ব

গ) স্বাস্থ্য আৰু শিক্ষাৰ মাজত সম্পৰ্ক ঃ স্বাস্থ্য-শিক্ষাৰ বাবে প্ৰধান জৰুৰী, স্বাস্থ্য-শিক্ষাৰ এক লক্ষ্য।

গোট ঃ ৭

**বিদ্যালয়-স্বাস্থ্য শিক্ষা কাৰ্যসূচীৰ প্ৰধান দিশসমূহ**

ক) স্বাস্থ্যপূৰ্ণ বিদ্যালয় পৰিৱেশ ঃ পৰিস্কাৰ পেয়পানী যোগান, পৰিস্কাৰ শৌচাগাৰ আৰু প্ৰসাৰগাৰ, পৰিস্ক াৰ খাদ্য, হাত-ধোৱাৰ ব্যৱস্থা, জলনিকায়, আবৰ্জনা বৰ্জন, পোহৰ, ভেন্টিলেচন, আৰামদায়ক আসনৰ ব্যৱস্থা, সকৰাত্মক আৰু অৰামদায়ক সুস্থ আৱেগিক আৰু সামাজিক পৰিৱেশ

খ) স্বাস্থ্য নিৰ্দেশনা ঃ খাদ্য আৰু সুষম আহাৰ, শোচৰা ৰোগ, ভঙ্গি, সু-অভ্যাস।

গোট ঃ ৮

**জৰুৰী /অত্যাৰশকীয় স্বাস্থ্যসেৱা**

ক) বিদ্যালয় স্বাস্থ্য সেৱা ঃ ছাত্ৰ-ছাত্ৰীসকলৰ সম্পূৰ্ণ শিক্ষণৰ বাবে প্ৰয়োজনীয় স্বাস্থ্যসেৱাৰ ব্যৱস্থা, স্বাস্থ্যসন্মত জীৱন নিৰ্বাহ আৰু সু-নাগৰিক।

খ) বিদ্যালয় আৰু গৃহত স্বাস্থ্য সংকটৰপৰা সুৰক্ষা প্ৰদান /ৰক্ষণাবেক্ষণ

গ) জৰুৰীকালীন আৰু দূৰ্ঘটনাৰ সময়ত প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা।

গোট ঃ ৯

**শাৰিৰীক শিক্ষাৰ অৰ্থ আৰু ধাৰণা**

ক) শাৰিৰীক শিক্ষাৰ অৰ্থ আৰু প্ৰয়োজনীয়তা

খ) শাৰিৰীক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য ঃ ব্যক্তিত্বৰ যৌথ বিকাশৰ ধাৰণা ঃ জৈৱিক, বৌদ্ধিক, আৱেগিক, সামাজিক আৰু আধ্যাত্মিক দিশসমূহ

গ) সকলোৰে বাবে শাৰিৰীক শিক্ষা কাৰ্যসূচয ঃ আন্ত (Intramurals) আৰু বাহ্যিক/বহিঃ (Extramurals), (Mass Fitness), কাৰ্যসূচী।

গোট ঃ ১০

**শাৰিৰীক শিক্ষা কাৰ্যসূচীৰ পৰিকল্পনা আৰু অনুষ্ঠান**

ক) শাৰিৰীক শিক্ষাত পাঠ-আঁচনিৰ নীতি

খ) শিকন-শিক্ষণৰ পদ্ধতিসমূহ ঃ সভা (Assembly);March Past,Calisthenics;

গ) খেল--ধেমালি অনুষ্ঠান (Sport Meets) আয়োজন

ঘ) প্ৰাথমিক পৰ্যায়ত স্বাস্থ্য আৰু শাৰিৰীক শিক্ষাত শিক্ষকৰ ভূমিকা-সুবিধা প্ৰদানকাৰী, পৰামৰ্শদাতা, বিপথগামী ছাত্ৰ-ছাত্ৰীসকলক চিনাক্তকৰণ কৰি, শুধৰণিৰ পথ প্ৰশস্ত কৰা।

**গোট ঃ ১১**

**খেলা-ধুলা আৰু যোগ**

ক) খেলা-ধুলা ঃ বুনিয়াদী নীতি, মৌলিক কৌশল, খেলপথাৰ নিৰ্বাচন

খ) স্বদেশী খেলসমূহ ঃ ক্ষুদ্ৰ খেল ঃ আন্তঃ আৰু বাহ্যিক খেল

গ) যোগ ঃ ১-১৪ বছৰ বয়সৰ শিশুৰ বাবে গুৰুত্ব আৰু প্ৰয়োজনীয়তা

ঘ) যোগ কাৰ্যসূচী ঃ ছাত্ৰ-ছাত্ৰীৰ সম্পূৰ্ণ বিকাশ আৰু স্বাস্থ্যৰ প্ৰয়োজনীয়তাৰ বাবে আসন আৰু প্ৰাণায়ম।

**৩. কৰ্ম শিক্ষা ঃ**

**কৰ্ম শিক্ষা পাঠ্যসূচীৰ যুক্তিযুক্ততা আৰু লক্ষ্য ঃ**

এই পাঠ্যসূচীৰ জৰিয়তে শিক্ষক প্ৰশিক্ষণাৰ্থীসকলে বিশেষকৈ হাতৰ এই পাঠ্যসূচীৰ জৰিয়তে শিক্ষক প্ৰশিক্ষাৰ্থীসকলে বিশেষকৈ হাতৰ কামৰ গুৰুত্বৰ ওপৰত জ্ঞান আহৰণ কৰিব যি বিদ্যালয় শিক্ষাৰ এক অবিভাজিত অংশ। এই শিক্ষাই স্থানীয় বিশেষ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি বিভিন্ন কাৰ্যৰ প্ৰয়োজনীয়তাক অৱগত কৰায়। এই পাঠ্যসূচীত বিভিন্ন কৰ্মৰ লগত সংগতি থকা বিভিন্ন লেনদেনৰ প্ৰদৰ্শনমূলক পদ্ধতি আছে। যিসমূহে প্ৰশিক্ষাৰ্থী সকলো বিষয়বস্তু লেনদেনৰ শৈলী সম্পৰ্কে জ্ঞান অৰ্জনত সমৰ্থন কৰিব। এই পাঠ্যসূচীৰ জৰিয়তে প্ৰশিক্ষাৰ্থীসকলক কৰ্মক পাঠ্যক্ৰমৰ বিভিন্ন বিষয় যেনে ভাষা, বিজ্ঞান, সমাজবিজ্ঞান, গণিত, কলা, শিক্ষা, স্বাস্থ্য আৰু শাৰিৰীক শিক্ষা আদিৰ লগত একত্ৰিত কৰাত সহায় কৰিব। এই পাঠ্যসূচীয়ে প্ৰশিক্ষাৰ্থীসকলক মান নিৰূপন আৰু মূল্যায়নৰ বিভিন্ন কৌশলৰ বিষয়ে অৱগত কৰাব, যি কৌশলে শিশুৰ অবিৰত আৰু সামগ্ৰিক মূল্য প'টফলিঅ, আৰু অন্যান্য ৰেকৰ্ড প্ৰস্তুতকৰণত সহায়ক হ'ব। আৰু এইবোধে ইয়াকে জ্ঞাত কৰাব যে কৰ্মশিক্ষা কাৰ্যসূচীৰ সফল ৰূপায়নৰ বাবে সমাজ আৰু সামাজিক সম্পদসমূহ অতি প্ৰয়োজনীয়।

**বিশেষ উদ্দেশ্য ঃ**

শিক্ষক প্ৰশিক্ষাৰ্থীসকলে শিকিব--

⇨ প্ৰাথমিক স্তৰৰ শিক্ষাত কৰ্ম শিক্ষাৰ প্ৰয়োজনীয়তা, ধাৰণা আৰু বৈশিষ্ট্য সম্পৰ্কে বোধ

⇨ বিদ্যালয়ৰ আন আন বিষয়সমূহৰ লগত কৰ্ম শিক্ষাৰ একত্ৰিতকৰণ

⇨ কৰ্ম আৰু শ্ৰমৰ মহত্ত্বতাৰ প্ৰতি সকৰাত্মক দৃষ্টিভংগীৰ বিকাশ

⇨ শিশুৰ সামাজিক, সাংস্কৃতিক, শাৰিৰীক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত কৰ্মক এক সজুলি হিচাপে ব্যৱহাৰৰ কৌশল

⇨ কৰ্ম সংযোগী কাৰ্যসমূহৰ সাময়িক আঁচনিৰ গঠন আৰু ৰূপায়ন

⇨ কৰ্ম শিক্ষাৰ বাবে সামাজিক সম্পদসমূহৰ সংগঠন আৰু চিনাক্তকৰণ

⇨ কৰ্ম শিক্ষাৰ কাৰ্যাৱলীসমূহৰ মূল্যায়ন।

**খণ্ড ঃ ৩**

**কৰ্ম শিক্ষা**

**গোট ঃ ১২**

**কৰ্ম শিক্ষাৰ ধাৰণা (তত্ত্ব)**

ক) কৰ্ম আৰু কৰ্ম শিক্ষাৰ ধাৰণা

খ) কৰ্ম শিক্ষাৰ দাৰ্শনিক, সামাজিক আৰু ঐতিহাসিক দৃষ্টিভংগী

গ) কৰ্ম শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য

ঘ) কৰ্ম শিক্ষাৰ ক্ষেত্ৰসমূহ

ঙ) কৰ্ম এক শিক্ষাদানশৈলী মাধ্যম-কৰ্ম আৰু শিকা।

**গোট ঃ ১৩**

**কৰ্ম শিক্ষাৰ ৰূপায়ন (তত্ত্ব)**

ক) বিদ্যালয়ত কৰ্ম শিক্ষাৰ পৰিকল্পনা আৰু সংগংন (সময়, স্থান আৰু ছাত্ৰ-ছাত্ৰীৰ দল প্ৰস্তুকৰণ)

খ) বিভিন্ন শ্ৰেণীৰ বাবে কৰ্ম শিক্ষাৰ সময়সূচী (Sessions) প্ৰস্তুতকৰণ

গ) প্ৰাথমিক পৰ্যায়ত কৰ্ম শিক্ষাৰ সামগ্ৰীসমূহৰ সংগঠন

ঘ) সামগ্ৰী, আহিলা আৰু সাঁ-সৰঞ্জামৰ প্ৰতিপালন আৰু সংৰক্ষণ

ঙ) বিভিন্ন পাঠ্যক্ৰমিক ক্ষেত্ৰৰ লগত কৰ্মৰ সংযোজন; কৰ্ম আৰু শিক্ষক একত্ৰিতকৰণৰ বাবে বিভিন্ন শিকন-শিক্ষণ কৌশল।

**গোট ঃ ১৪**

**কৰ্ম শিক্ষাত কৌশলৰ বিকাশ (ব্যৱহাৰিক)**

তলত দিয়া কাৰ্যৰ তালিকাসমূহৰ ভিতৰত যিকোনো দুটা বিষয়ত কৌশলৰ বিকাশ

ক) কৌশলৰ বিকাশৰ বাবে ব্যৱহাৰিকৰ স্তৰসমূহ

--নিৰ্দ্ধাৰিত ক্ষেত্ৰৰ সিদ্ধান্তিক পটভূমি

--প্ৰয়োজনীয় সামগ্ৰী

--ব্যৱহয়ত পদ্ধতি

--উপকাৰিতা

--ব্যয়/খৰচ

ঘ) ব্যৱহাৰিক কাৰ্যসমূহৰ এটা ব্যৱহাৰিক-ফাইল (Practical file) বনোৱাটো বাঞ্চনীয়।

ব্যৱহাৰিক কাৰ্যসমূহৰ তালিকা ঃ ১)চিলা সজা, ২)মাটি আৰু কপাহেৰে মণি প্ৰস্তুত কৰা, ৩) চিলাই-বিচনী, ভৰিমচা কঠ, মেজত পৰা কাপোৰ (স্থানীয় কেঁচা সামগ্ৰীৰ ব্যৱহাৰ যেনে--মেজুৰ গছৰ পাত, পুৰণি কাপোৰৰ টুকুৰা, তাল গছৰ পাত ইত্যাদি) ৪) মমবাতি বনোৱা, ৫) খৰীমাটি (chalk) বনোৱা, ৬) আৱৰ্জনা পেলোৱা পাত্ৰ, কলম থোৱা পাত্ৰ (পুৰণি টিন, বাকচ ইত্যাদিৰে বনোৱা, ৭) কাগজৰ পুতলা (চকৰী, উৰণীয়া চৰাই, দিন আৰু ৰাতি, মাছ, নাচি থকা পুতলা, ৮) কাগজৰ মেছিন, ৯) বাঁহ-বেতেৰে নিৰ্মিত খৰাহী, ১০) চিঠিৰ খাম বনোৱা (বাতৰিকাকত আৰু মুগা ৰঙৰ কাগজৰ সহায়ত) ইত্যাদি।

**টোকা ঃ** কৌশল বিকাশৰ ব্যৱহাৰিকৰ বাবে আঞ্চলিক বা স্থানীয় বিশেষ কৰ্ম ক্ষেত্ৰসমূহ নিৰ্বাচন কৰা প্ৰয়োজনীয়।

**গোট ঃ ১৫**

**সমাজ আৰু কৰ্ম শিক্ষা**

ক) কৰ্ম শিক্ষাত সমাজ/সম্প্ৰদায়ৰ ভূমিকা

খ) কৰ্ম শিক্ষা ৰূপায়নৰ ক্ষেত্ৰত সামাজিক সম্পদৰ চিনাক্তকৰণ আৰু ব্যৱহাৰ; সামাজিক সম্পদৰ মানচিত্ৰ নিৰূপন

গ) কৰ্ম শিক্ষাৰ গুৰুত্ব সম্পৰ্কে পিতৃ-মাতৃ আৰু সমাজৰ সমৰ্থন।

**গোট ঃ ১৬**

**কৰ্ম শিক্ষাৰ মূল্যায়ন (তাত্ত্বিক আৰু ব্যৱহাৰিক)**

ক) কৰ্ম শিক্ষাত মূল্যায়নৰ প্ৰয়োজনীয়তা

খ) কৰ্ম শিক্ষাৰ কাৰ্যাৱলীসমূহ কেনেকৈ মূল্যায়ন কৰা হ'ব ?

গ) নিৰ্দেশনা ভিত্তিক মূল্যায়ন

ঘ) মূল্যায়নৰ আহিলা আৰু কৌশল

ঙ) স্ব, সমনীয়া, শিক্ষক আৰু সমাজ সম্প্ৰদায়ৰ ভিত্তিক মূল্যায়ন।

**পাঠ্যসূচী ঃ ৯ ঃ ৫০৯**

**উচ্চ প্ৰাথমিক পৰ্যায়ত সমাজ-বিজ্ঞান শিক্ষণ**

**ক) অৱতাৰণা ঃ**

সমাজ বিজ্ঞান অধ্যয়নৰ বিষয়বস্তু, বিদ্যালয়ৰ এক বিষয় হিচাপে কিছুমান নিৰ্দ্ধাৰিত বৈশিষ্ট্যৰ বোধ আৰু উদ্দেশ্যৰ ওপৰত নিৰ্ভৰশীল সেয়েহে ইয়াৰ বিষয়বস্তু প্ৰাকৃতিক তথা উদ্দেশ্য প্ৰণোদিত নহৈ, ছাত্ৰ শিক্ষকসকলক সমাজবিজ্যানৰ বিভিন্ন দৃষ্টিভংগীসমূহৰ ওপৰত সমসাময়িক জ্ঞান দিয়া বিষয় হিচাপে পৰিগণিত হৈছে ইয়াৰ দ্বাৰা এইটো বিচাৰযোগ্য হ'ব যে সমাজবিজ্ঞান বিষয়ৰ বিভিন্ন দৃষ্টিভংগী তথা বোধে, আন আন পাঠ্যক্ৰম, পাঠ্যসূচী তথা পাঠ্যপুথিৰ লগত কেনেদৰে সংগতি স্থাপন কৰিছে। এই পাঠ্যসূচীয়ে এইটো দৰ্শাই যে কেনেদৰে সমাজবিজ্ঞানে আমাৰ সমাজ আৰু সমাজৰ প্ৰকৃত স্বৰূপক সময়, ঠাই, শক্তি, গঠন, অনুষ্ঠান, প্ৰক্ৰিয়া তথা সম্পৰ্কভিত্তিক এক সমালোচনামূলক দৃষ্টিভংগী আগবঢ়ায়।

**খ) উদ্দেশ্য ঃ**

এই পাঠ্যসূচীৰদ্বাৰা শিক্ষাৰ্থীসকলে শিকিব--

⇨ ইতিহাস, ভূগোল, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, সমাজশাস্ত্ৰ আৰু আন জীয়াই থকা সমাজখন সম্পৰ্কে সমালোচনা মূলক বিশ্লেষণ কৰাৰ কৌশল বিকাশ।

--তথ্য সংগ্ৰহ, ব্যাখ্যা আৰু বিশ্লেষণ কৰাৰ কৌশল

--বিদ্যালয়ৰ সমাজ বিজ্ঞানৰ পাঠক্ৰেম, বিষয়বস্তু পাঠ্যসূচী আৰু পাঠ্যপুথিৰ সমালোচনাত্মক বিশ্লেষণ

⇨ শিশুসকলৰ, বৰ্তমান সমাজৰ অনুষ্ঠান-প্ৰতিষ্ঠান, স্বাধীন, সমালোচনাত্মক তথা চিন্তাশীল ভাৱধাৰাৰে সমাজ প্ৰক্ৰিয়া সম্বন্ধে কৌতূহল বৃদ্ধি কৰোৱা যিয়ে পাঠ্যক্ৰম লেনদেনৰ বিভিন্ন শিক্ষাদানৰ শৈলীসমূহৰ ব্যৱহাৰ আৰু জ্ঞান আয়ত্ব কৰায়।

⇨ মানৱীয় আৰু সাংবিধানিক প্ৰমূল্যবোধ যেনে স্বাধীনতা, সমতা, ন্যায়, পাৰ্থক্য আৰু ভিন্নতাক সন্মান তথা সমাজৰ বিভিন্ন বলসমূহে যিয়ে এই প্ৰমূল্যবোধক প্ৰতি বিভিন্নীকাৰ সৃষ্টি কৰে, তাক প্ৰত্যাহ্বান জনোৱাৰ দক্ষতা আয়ত্ব কৰা।

**গ) পদ্ধতি কাৰ্য প্ৰণালী ঃ**

ইতিহাস, ভূগোল, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰৰ বিভিন্ন দৃষ্টিভংগীয়ে এই পাঠ্যসূচীৰ মূল ভেঁটি সম্পৰ্কে ইয়াকে দৰ্শাই যে সমাজ বিজ্ঞান বিষয়টোৰ মূল দিশ তথা

লক্ষ্যসমূহ ঐতিহাসিক আৰু সামাজিক চৰিত্ৰ। পাঠ্যপুথি আৰু পাঠ্যক্ৰম বিশ্লেষণে ছাত্ৰ-ছাত্ৰীসকলক এই বিষয়ে অৱগত কৰাব যে কেনেকৈ সমাজ, শিশুসকল আৰু সমাজবিজ্ঞানৰ ধাৰণাই বিভিন্ন শিক্ষাদানৰ শৈলী গঢ় দিয়াত সহায় কৰে আৰু এই সমূহ কেনেদৰে শ্ৰেণীকোঠাৰ লেনদেনত বিকল্প হিচাপে ব্যৱহাৰ হয়। শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ সমাজবিজ্ঞানৰ উপযুক্ত শিক্ষদান শৈলীৰ জ্ঞান গঢ় দিয়াত বিশেষকৈ বিভিন্ন পাঠ্যপুথিৰ জ্ঞান আৰু শিকনীয় পদ্ধতি, ব্যক্তি তথা দলীয় প্ৰতিফলনে, সমাজবিজ্ঞানৰ বোধ সম্পৰ্কে এক সুকীয়া ধাৰা গঢ় দিয়ে যত, ইয়াৰ বিভিন্ন উপাদানসমূহ সন্নিৱিষ্ট হৈ আছে। শিক্ষাৰ্থীসকলে সমাজবিজ্ঞানৰ বিভিন্ন উপাদানবোধ আৰু ধাৰণা সম্পৰ্কে তথা ভিন্ন পাঠ্যপুথি আৰু শিকন পদ্ধতিৰ দ্বাৰা ব্যক্তিয়ে আন প্ৰকাৰে দক্ষতা প্ৰতিফলন কৰাত সুযোগ পায় যাৰ দ্বাৰা ছাত্ৰ শিক্ষকসকলে সমাজ বিজ্ঞান সম্পৰ্কে বোধ আৰু উপযুক্ত শিক্ষাদান শৈলীৰ ব্যৱহাৰৰ কৌশল আয়ত্ব কৰিব পাৰে।

**খণ্ড ঃ ১**

**অধ্যয়নৰ বিষয় হিচাপে সমাজ বিজ্ঞানৰ বোধ**

**গোট ঃ ১**

**সমাজ বিজ্ঞানৰ বৈশিষ্ট্য/প্ৰকৃতি**

--সমাজ বিজ্ঞান ঃ ক্ৰম বিকাশ আৰু ধাৰণা

--সমাজ বিজ্ঞান ঃ যুগৰ ক্ৰমবিকাশ

--সমাজৰ বৰ্তমানৰ অৱস্থা

--সমাজৰ বিজ্ঞানৰ উপাদানসমূহ ঃ শাসনতন্ত্ৰ, সংস্কৃতি আৰু অৰ্থনীতি

--সমাজ বিজ্ঞানৰ যৌথ আৰুে পাৰস্পৰিক বিষয় সম্বন্ধীয় দৃষ্টিভংগী।

**গোট ঃ ২**

**বিদ্যালয় পাঠ্যক্ৰমত সমাজ বিজ্ঞান**

এই গোটটোৰ মূল উদ্দেশ্য হৈছে সমাজ বিজ্ঞান পাঠ্যক্ৰমৰ ক্ৰমবিকাশত প্ৰভাৱিত কৰা কাৰকসমূহৰ পৰীক্ষা, যাৰ ফলত সমাজবিজ্ঞান পাঠ্যক্ৰমৰ উদ্দেশ্যৰ পৰিৱৰ্তন সাধন হৈছে--

⇨ ঔপনিবেশকতাবাদ ঃ জাতীয়তাবাদী বিকল্প

⇨ স্বাধীনোত্তৰ সময়ছোৱাত সমাজ বিজ্ঞান পাঠ্যক্ৰমৰ ওপৰত তৰ্কবিতৰ্ক /যুক্তিযুক্ততা/ বিবাদ/সমালোচনা

⇨ জাতীয় সংহতি আৰু আৰ্ন্তজাতিক বুজাপৰা

⇨ সাম্প্ৰদায়িকতা, ধৰ্মনিৰপেক্ষতা, অধীনস্থ দৃষ্টিভংগী

- ⇨ লিংগ, জাতি আৰু জনজাতীয় দৃষ্টিভংগী
- ⇨ আন্তঃৰাষ্ট্ৰীয়ৰ দৃষ্টিভংগীত সমাজ বিজ্ঞান পাঠ্যক্ৰেম (UNESCO, দক্ষিণ আফ্ৰিকাৰ সমাজ বিজ্ঞান পাঠ্যক্ৰমৰ উদাহৰণ)
- ⇨ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ ভিত্তিত বৰ্তমান জাতীয় ভাৰধাৰা আৰু ইয়াৰ ব্যৱহাৰ।

**খণ্ড ঃ ২**

**সমাজ বিজ্ঞানৰ বিষয় আৰু ধাৰণা**

**গোট ঃ ৩**

**ইতিহাস**

- ⇨ ইতিহাসৰ ধাৰণা, প্ৰাথমিক স্তৰত ইতিহাসৰ সূচীপত্ৰবিষয়বস্তু
- ⇨ সমাজবিজ্ঞানীসকলে ইতিহাসত ব্যৱহাৰ কৰা পদ্ধতিসমূহ
- ⇨ সমাজ বিজ্ঞান পাঠ্যক্ৰমৰ অংশহিচাপে ইতিহাসৰ গুৰুত্ব
- ⇨ আদৰ্শ পাঠ-আঁচনি।

**গোট ঃ ৪**

**ভূগোল**

- ⇨ ভূগোলৰ ধাৰণা, প্ৰাথমিক পৰ্যায়ত ভূগোলৰ বিষয়বস্তু
- ⇨ সমাজ বিজ্ঞানী সকলে ভূগোলত ব্যৱহাৰ কৰা পদ্ধতিসমূহ
- ⇨ সমাজ বিজ্ঞান পাঠ্যক্ৰমৰ অংশ হিচাপে ভূগোলৰ গুৰুত্ব
- ⇨ আদৰ্শ পাঠ আঁচনি।

**গোট ঃ ৫**

**সমাজ আৰু ৰাজনৈতিক জীৱন, ৰাজনীতি বিজ্ঞান/অৰ্থনীতি/ সমাজশাস্ত্ৰৰ এক অভিভাজিত বিষয়**

- ⇨ প্ৰাথমিক স্তৰত সমাজবিজ্ঞানৰ সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বিষয়বস্তু
- ⇨ সমাজবিজ্ঞানীসকলে ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰত ব্যৱহৃত পদ্ধতিসমূহ
- ⇨ সমাজবিজ্ঞানৰ পাঠ্যক্ৰমৰ এটা অংশ হিচাপে ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰৰ গুৰুত্ব
- ⇨ আদৰ্শ পাঠ আঁচনি।

**খণ্ড ঃ ৩**

**সমাজ বিজ্ঞানৰ শিক্ষাদানশৈলীৰ দিশসমূহ বিষয়সমূহ**

**গোট ঃ ৬**

**শিক্ষাৰ্থীৰ বৈশিষ্ট্যৰ বোধ আৰু স্থানীয় প্ৰেক্ষাপট**

⇨ বিপৰীতমুখী সামাজিক প্ৰেক্ষাপট

⇨ শিশুৱে সমাজ বিজ্ঞানৰ বিষয়সমূহ কেনেকৈ বুজে ?

⇨ মধ্য আৰু উচ্চ প্ৰাথমিক শ্ৰেণীত শিশুসকলৰ বয়স (বংশগতি) আৰু সামাজিক সাংস্কৃতিক পৰিৱেশৰ পৰিপ্ৰেক্ষিতত প্ৰজ্ঞানাত্মক বিকাশ আৰু ধাৰণাবোধ বিকাশ; পাঠ্যক্ৰম আৰু শিক্ষাদানৰ শৈলীৰ বাবে এই উপাদানসমূহৰ গুৰুত্ব; শিশুৰ ধাৰণাবোধৰ ঘটনা বিৱৰণী অধ্যয়ন (Case studies), শিশুবোৰ, সমাজবিজ্ঞানৰ জ্ঞানৰ গঠন আৰু শ্ৰেণীকোঠাৰ আদান-প্ৰদান।

**গোট ঃ ৭ শিকন-শিক্ষণ কৌশল**

**শিকন পদ্ধতি ঃ**

হিউৰিস্তিকে/ আৱিস্কাৰ পদ্ধতি, প্ৰকল্প পদ্ধতি, ব্যাখ্যাৰ ব্যৱহাৰ, পৰ্যবেক্ষণ, সংলাপ আৰু আলোচনা, তথ্যৰ ধাৰণা, ইয়াৰ উৎস আৰু সমাজবিজ্ঞানৰ বিভিন্ন বিষয়ৰ প্ৰমাণ, বাস্তৱ আৰু মতামতৰ মাজত পাৰ্থক্য, পক্ষপাতিত্ব আৰু কুসংস্কাৰৰ চিনাক্তকৰণ, পাঠগঠনৰ সমালোচনামূলক চিন্তাধাৰাত ব্যক্তিগত/ অভিজ্ঞতামূলক জ্ঞানৰ ব্যৱহাৰ (প্ৰতিটো কৌশল উদাহৰণৰ সৈতে তথা ভিন্ন সম্প্ৰদায়ৰ সহায়ত ব্যাখ্যা কৰিব পাৰে)।

**গোট ঃ ৮**

**শিক্ষণ সম্পদ ঃ ধাৰণা, প্ৰয়োজনীয়তা আৰু গুৰুত্ব**

**শিক্ষণ সম্পদৰ প্ৰকাৰ ঃ** ৰিয়েলিআ (Realia) আৰু চিত্ৰাৱলী (Diorama), মানচিত্ৰ আৰু গোলক, আৰ্হি, ৰেখাচিত্ৰ, তালিকা আৰু ব্যংগচিত্ৰ (কাৰ্টুন), সময়, কিতাপ, বাতৰিকাকতৰ কিয়দাংশ, সংগ্ৰাহলয়, চিনেমা, ইন্টাৰনেট, শিক্ষণ সম্পদৰ উন্নীতকৰণ, শিক্ষণ সম্পদৰ যোগান/পৰিচালনা।

**গোট ঃ ৯**

**সামাজ বিজ্ঞানত মান নিৰূপন**

অবিৰত আৰু সামগ্ৰিক মূল্যায়ন, তথ্যপুনঃ স্মৰণৰ ভিত্তিত সমাজ বিজ্ঞানৰ মূল্যায়নৰ পদ্ধতি; বোধ, প্ৰয়োগ আৰু সংযোজন; শিক্ষণৰ মূল্যায়নৰ বিকল্প পদ্ধতি (Port Folio) ঃ মূল্যায়নৰ ভিত্তি, বস্তুনিষ্ঠ প্ৰশ্নৰ প্ৰকাৰ, গ্ৰেড আৰু মানাংক পদ্ধতিৰ গুৰুত্ব।

**পাঠ্যসূচী ঃ ১০ ঃ ৫১০**

**উচ্চ প্ৰাথমিক পৰ্যায়ত বিজ্ঞান শিক্ষণ** **মুঠ ক্ৰেডিট** (৩+১=৪)

**ক) অৱতাৰণা ঃ**

বৈজ্ঞানিক পদ্ধতি পৰ্যবেক্ষণ, আৰ্হিভিত্তিক, অনুমানসূচক, পৰীক্ষা নিৰীক্ষাৰ সহায়তা বৈধতানিৰূপনৰে, প্ৰাকৃতিক পৃথিৱীখনক পৰিচালিত কৰা মৌলিক নীতি, তত্ত্ব আৰু সূত্ৰসমূহত উপনীত হয়।

**খ) উদ্দেশ্য ঃ**

এই অংশৰ, তলত দিয়া উদ্দেশ্যসমূহৰ ওপৰত ভিত্তি কৰি প্ৰাথমিক পৰ্যায়ত বিজ্ঞান শিক্ষাৰ মানদণ্ড উন্নত কৰাটোৱে মূল লক্ষ্য।

⇨ শিশুৰ মনত বৰ্তমান পৃথিৱী সম্পৰ্কে প্ৰাকৃতিক কৌতূহলৰ উদ্বেগ ঘটোৱা

⇨ শিশুৱে সিহঁতৰ দৈনন্দিন অভিজ্ঞতাৰপৰা ইতিপূৰ্বে কি জানে, তাৰ ধাৰণা কৰা

⇨ সাধাৰণ প্ৰযুক্তিবিদ্যা বিষয়ক গোটসমূহ ৰূপায়ন কৰিবলৈ, শিশুক অন্বেষণমূলক, অভিজ্ঞতাপূৰ্ণ কাৰ্যাৱলী আৰু হাতেৰে কৰ্ম কৰা পদ্ধতিৰ ক্ষেত্ৰত উদগনি জনোৱা

⇨ বিজ্ঞানসন্মত ধাৰণাৰ বিষয়ে, সুপৰিচিত অভিজ্ঞতা, কাৰ্যাৱলী তথা পৰীক্ষা-নিৰীক্ষা আৰু সমনীয়া আৰু শিক্ষকৰ লগত হোৱা আলোচনাৰ মাজেৰে উপনীত হোৱা

⇨ সদায় প্ৰশ্ন উত্থাপন কৰা ঃ কোনো উক্তি /বৰ্ণনা সমালোচনা বিহীনভাৱে গ্ৰহণ নকৰা

⇨ যথাক্ৰমে শিক্ষক শিক্ষা কাৰ্যসূচী, তলত উল্লেখিত উদ্দেশ্যসমূহৰ ওপৰত কাৰ্যকৰী হোৱাৰ লক্ষ্য হোৱাটো জৰুৰী

⇨ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ বিজ্ঞানৰ ধাৰণা সম্বন্ধীয় বোধৰ সমীক্ষাৰ প্ৰতি উদগনি জনোৱা

⇨ বিজ্ঞান বিভিন্ন দিশসমূহৰা লগত ছাত্ৰ-ছাত্ৰীক অৱগত কৰোৱা

⇨ ছাত্ৰ-ছাত্ৰীসকলক, শিশুৰ প্ৰজ্ঞানাত্মক বিকাশ আৰু বিজ্ঞানৰ ধাৰণাবোধৰ বিষয়ে বুজ লোৱা সহায় কৰা

⇨ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত শিকন-শিক্ষণ আৰু মান-নিৰূপন কৌশলৰ বাচনি আৰু প্ৰয়োগৰ ক্ষেত্ৰত সহায় কৰা

⇨ ছাত্ৰ-ছাত্ৰীসকলক এই বিষয়ে অৱগত কৰোৱা যে বিজ্ঞানক এক অন্তৰ্ভুক্তি আৰু গণতান্ত্ৰিক উদ্যম হৈছে গ্ৰহণ কৰিব লাগে।

**গ) পদ্ধতি /কাৰ্যপ্ৰণালী ঃ**

প্ৰশিক্ষাৰ্থীসকলে ছাত্ৰ-ছাত্ৰীসকলক উপলবদ্ধ বিভিন্ন কাৰ্যৱলীৰ সাহিত্যসমূহ, পৰীক্ষা-নিৰীক্ষা, ৰেকৰ্ড পৰ্যালোচনাৰ সুবিধা প্ৰদান কৰিব লাগে, যাতে এইসমূহ কেনেকৈ প্ৰশ্নত উপনীত হৈছিল, কেনেকৈ অনুসন্ধানৰ বিভিন্ন দিশ বাছি লৈছে, তাৰ বিষয়ে সমনীয়া তথা শিক্ষকৰ লগত আলোচনা কৰিব পাৰে।

- ⇨ তদন্ত /অনুসন্ধান পৰিচালিত কৰা বিভিন্ন উপায় ঃ বিভিন্ন বিষয়ৰ ওপৰত সাধাৰণ পৰীক্ষা-নিৰীক্ষা আৰু অনুসন্ধানৰ স্থাপন
- ⇨ বিজ্ঞান সংগ্ৰহালয়, ক্ষেত্ৰ অধ্যয়ন, প্ৰকল্প আৰু প্ৰদৰ্শনী
- ⇨ কাগজ-কলম পৰীক্ষাৰ বাবে, বিভিন্ন মান নিৰ্দ্ধপন কৌশলত উপযুক্ত প্ৰানৰ অৱতাৰণা কৰা
- ⇨ ধাৰণা সম্পৰ্কীয় তথ্যৰ ভিত্তিত গোট-আঁচনি প্ৰস্তুত কৰা
- ⇨ বয়সপোযুক্ত আৰু প্ৰাসংগিকতাৰ বাবে, বিভিন্ন শিকন-শিক্ষণ সামগ্ৰীসমূহ যেনে কিতাপ, চিনেমা, বহু মাধ্যমৰ টোপোলাৰ মান নিৰ্দ্ধপন কৰা।

**খণ্ড ঃ ১**

**বিজ্ঞান সম্পৰ্কীয় বোধ**

**গোট ঃ ১**

**বিজ্ঞানৰ প্ৰকৃতি /বৈশিষ্ট্য**

- ⇨ বিজ্ঞানৰ ইতিহাস আৰু দৰ্শন-পুৰণি /প্ৰাচীন, মধ্য আৰু আধুনিক যুগ; বিজ্ঞানৰ দৰ্শন
- ⇨ বিজ্ঞান কি ? সংজ্ঞা আৰু সাধাৰণ বৈশিষ্ট্য, বিজ্ঞানৰ প্ৰকৃতি, বিজ্ঞানৰ প্ৰক্ৰিয়া
- ⇨ বৈজ্ঞানিক জ্ঞানৰ গঠন-পৰিকল্পনা/অনুসন্ধান, তত্ব, বাস্তৱ, প্ৰাকৃতিক নিয়ম, প্ৰমাণ আৰু প্ৰতিমান নিয়ম (Paradigm)ৰ নিগমনাত্মক অনুমান (Deductive Inference) আৰু আগমনাত্মক অনুমান (Inductive Inference)
- ⇨ বৈজ্ঞানিক ভাৱধাৰা
  - * অনুভৱমূলক সাক্ষী/ প্ৰমাণৰ (অনুভববাদ/Empiricism )
  - * যুক্তিসংগত কাৰণ দৰ্শোৱা (যুক্তিবাদ/ Rationalism)
  - * আনুমানিক জ্ঞানৰ ওপৰত-অনুমান সম্বন্ধীয় দৃষ্টিভংগী (অনুমান/ সন্দেহবাদ Skepticism)
- ⇨ বৈজ্ঞানিক পদ্ধতি ঃ বৈজ্ঞানিক পদ্ধতি কি, বৈজ্ঞানিক পদ্ধতিত অৰ্ন্তভুক্ত স্তৰসমূহ আৰু বৈজ্ঞানিক দৃষ্টিভংগী।

**খণ্ড ঃ ১**

**বিজ্ঞান সম্পৰ্কীয় বোধ**

**গোট ঃ ১**

**বিজ্ঞানৰ প্ৰকৃতি /বৈশিষ্ট্য**

⇨ বিজ্ঞানৰ

**গোট ঃ ২**

**বৈজ্ঞানিক অনুসন্ধান**

বৈজ্ঞানিক অনুসন্ধানৰ ধাৰণা, বৈজ্ঞানিক অনুসন্ধানৰ গঠন (Forms)

বৈজ্ঞানিক অনুসন্ধান কৌশলৰ প্ৰক্ৰিয়া ঃ বৈজ্ঞানিক প্ৰক্ৰিয়া শিক্ষাৰ্থীসকলক জড়িত কৰা

⇨ প্ৰশ্নৰ উত্থাপন/অৱতাৰণা-অনুসন্ধানৰ বাবে

⇨ দিক্-দৰ্শনৰ বাবে অনুমান কৰা

⇨ পৰ্যবেক্ষণৰ দিশ লাভৰ বাবে ভৱিতব্যবাণী

⇨ যুগুতোৱা তথ্যসমূহৰ পৰ্যাবেক্ষণ

⇨ ধাৰা (Patterns) আৰু সম্পৰ্কৰ অনুসন্ধান

⇨ অনুসন্ধানৰ পৰিকল্পনা আৰু গঠন

⇨ সাং সজুলি গঢ় দিয়া আৰু নিৰ্মাণ

⇨ জোখমাফ আৰু গণণনা

⇨ অংশ গ্ৰহণ আৰু ভাৱ আদান-প্ৰদান

⇨ আত্ম বাস্তৱৰ বাবে আত্ম প্ৰতিফলন

⇨ ব্যক্তিগত জীৱনৰ অনুসন্ধান।

**গোট ঃ ৩**

**বৈজ্ঞান শিকনৰ বিভিন্ন দৃষ্টিভংগী**

⇨ শিকন পদ্ধতি কাৰ্যপ্ৰণালী

⇨ উদাহৰণৰ সৈতে বিভিন্ন দৃষ্টিভংগী-হস্তান্তৰ ব্যাখ্যাকাৰী দৃষ্টিভংগী, প্ৰক্ৰিয়া বা অনুসন্ধান দৃষ্টিভংগী, অবিস্কাৰ দৃষ্টিভংগী।

**গোট ঃ ৪**

**বাস্তৱ অভিজ্ঞতা ঃ ভূমিকা আৰু গুৰুত্ব**

⇨ শিশুৰ শিক্ষণত প্ৰত্যক্ষ অনুভৱৰ ভূমিকা

- ➩ অনুসন্ধানৰ প্ৰকাৰ ঃ শ্ৰেণীকোঠাৰ ভিতৰত আৰু বিদ্যালয়ৰ বাহিৰত
- ➩ ব্যৱহাৰিক কাৰ্য অনুষ্ঠিতকৰণ
- ➩ সুৰক্ষা উপায় ঃ বিদ্যালয়ৰ ভিতৰত আৰু বাহিৰত।

**মণ্ডল ঃ ২**

**বিজ্ঞান শিক্ষণৰ পৰিচালনা আৰু জোখমাফ**

**গোট ঃ ৫**

**উচ্চ-প্ৰাথমিক স্তৰত বিজ্ঞান শিক্ষাৰ পৰিকল্পনা আৰু পৰিচালনা**

- ➩ পৰিকল্পনাৰ অবলোকন (Overview)
- ➩ বিজ্ঞান বিষয়ক পাঠ্যক্ৰমব্যাপী পৰিকল্পনা
- ➩ শ্ৰেণীস্তৰত পৰিকল্পনা ঃ পাঠ আঁচনি
- ➩ বিভিন্ন সমল সম্পদৰ চিনাক্তকৰণ আৰু ব্যৱহাৰ ঃ বিদ্যালয় পৰ্যায়ত, স্থানীয়, বৈদ্যুতিক আৰু অবৈদ্যুতিক সামগ্ৰী
- ➩ ৰেৰ্কডিং আৰু বিৱৰণী।

**গোট ঃ ৬**

**মান নিৰূপন আৰু মূল্যায়ন আৰু সংগতিপূৰ্ণ বিষয়**

- ➩ মান নিৰূপন ঃ কি, কেনেকৈ আৰু কিয়--মূল্যায়নৰ ধাৰণা, উদ্দেশ্য আৰু বৈশিষ্ঠ্যতা, মূল্যায়নৰ প্ৰকাৰ, আভ্যন্তৰীণ মান নিৰূপন মূল্যায়ন
- ➩ বিজ্ঞানৰ অবিৰত আৰু সামগ্ৰিক মূল্যায়ন
- ➩ বিজ্ঞান শিক্ষণৰ বাবে মান নিৰূপনৰ ব্যৱহাৰ-কঠিন বিষয়ৰ চিনাক্তকৰণ প্ৰতিকাৰ শিক্ষণৰ ব্যৱস্থা
- ➩ প্ৰজ্ঞানাত্মক ক্ষেত্ৰ (Cognitive Domain), ভাৱাত্মক ক্ষেত্ৰ (affective Domain) আৰু ক্ৰিয়াত্মক ক্ষেত্ৰৰ (Psychomotor Domain) মূল্যায়ন
- ➩ শিশুৰ ধাৰণা, কৌশল আৰু দৃষ্টিভংগীৰ মূল্যায়নৰ সংগঠন।

**গোট ঃ ৭**

**বিজ্ঞান শিখনৰ প্ৰত্যাহ্বান আৰু বিষয়সমূহ**

- ➩ সকলোৰে বাবে বিজ্ঞান
- ➩ বিভিন্ন দক্ষতাৰ শিকন

⇨ বিজ্ঞান আৰু বিজ্ঞান শিকনৰ উন্নতি সম্পৰ্কে জ্ঞান।

**ব্যৱহাৰিক পাঠ্যসূচী গঠন/ঠাচ**

**ব্যৱহাৰিক পাঠ্যসূচী ঃ ১ ঃ ৫১১ বিদ্যালয় ভিত্তিক কাৰ্যাৱলী** (SBA)

**প্ৰথম বৰ্ষ- বিদ্যালয় ভিত্তিক কাৰ্যাৱলী ৪ ক্ৰেডিটৰ যাক, তিনিটা ভাগত ভগোৱা হৈছে**

* এজন শিশুৰ ঘটনা বিৱৰণী অধ্যয়ন (Case study)
* ৰেকৰ্ড আৰু লিখিত বিৱৰণীৰ প্ৰতিপালন
* বিদ্যালয় অনুষ্ঠানসমূহত অৱদান যোগদান।

**ব্যৱহাৰিক পাঠ্যসূচী ঃ ১ ঃ ৫১২ কৰ্মশালা-১ (কৰ্মশালাভিত্তিক কাৰ্যাৱলী)**

**প্ৰথম বৰ্ষ-** প্ৰথম বৰ্ষৰ কৰ্মশালা ভিত্তিক কাৰ্যাৱলীসমূহ হৈছে (চাৰি) ক্ৰেডিটৰ, য'ত ১২দিনীয়া কৰ্মশালাৰ সৈতে বিভিন্ন কাৰ্যৱলী সাঙুৰ খাই আছে--

* ভাষা, গণিত, পৰিৱেশ অধ্যয়ন, বিজ্ঞান আৰু সমাজবিজ্ঞান বিষয়ৰ ওপৰত পাঠ-আঁচনি প্ৰস্তুতকৰণ
* তিনিটা বিষয়ৰ ওপৰত শিকন-শিক্ষণ সহায়কাৰী সমল/সামগ্ৰী প্ৰস্তুতকৰণ
* যিকোনো এটা বিষয়ৰ, বিষয়ভিত্তিক মূল্যায়নৰ প'টফলিঅ (Portfoloi) বনোৱা
* উপযুক্ত প্ৰশ্নকাকতৰ আৰ্হি আৰু ৰূপৰেখা (Blue Prints) প্ৰস্তুতকৰণ
* প্ৰদৰ্শনমূলক পাঠৰ পৰ্যাবেক্ষণ
* প্ৰক্ৰিয়া মূলায়নত অংশ গ্ৰহণ।

**ব্যৱহাৰিক পাঠ্যসূচী ঃ ১ ঃ ৫১৩ কৰ্মশালা-২ (কৰ্মশালাভিত্তিক কাৰ্যাৱলী)**

**প্ৰথম বৰ্ষ-** দ্বিতীয় বৰ্ষৰ কৰ্মশালা ভিত্তিক কাৰ্যাৱলীসমূহ হৈছে (চাৰি) ক্ৰেডিটৰ, য'ত ১২দিনীয়া কৰ্মশালাৰ সৈতে বিভিন্ন কাৰ্যৱলী সাঙুৰ খাই আছে--

* যিকোনো দুটা বিষয়ৰ ওপতৰ সংকল্পনা মানচিত্ৰ-ভাষা, গণিত, পৰিৱেশ অধ্যয়ন, বিজ্ঞান/সমাজবিজ্ঞান
* কলা, শাৰিৰীক আৰু স্বাস্থ্য আৰু কৰ্ম শিক্ষাৰ ওপৰত অভিনয়
* সময়সূচী বাৰ্ষিক কাৰ্যৰ পঞ্জিকাৰ বিশ্লেষণ
* বিদ্যালয়/সম্প্ৰদায়ৰ সম্পৰ্ক
* আলোচনা চক্ৰ উপস্থাপন
* প্ৰপ্ৰিয়া মূল্যায়নত অংশ গ্ৰহণ।

**৫১৩ ঃ কৰ্মশালা-২ (কৰ্মশালাভিত্তিক কাৰ্যাৱলী)**

**দ্বিতীয় বৰ্ষ**- দ্বিতীয় বৰ্ষৰ কৰ্মশালা ভিত্তিক কাৰ্যাৱলীসমূহ হৈছে (চাৰি) ক্ৰেডিটৰ, য'ত ১২দিনীয়া এই কৰ্মশালাত অন্তৰ্ভুক্ত হ'ব লগা ভিন্নমুখী কাৰ্যাৱলীসমূহ হৈছে--

* ধাৰণা মানচিত্ৰায়ন (যিকোনো দুটা বিষয়) ঃ গণিত, ভাষা পৰিৱেশ অধ্যয়ন, সমাজ বিজ্ঞান ইত্যাদি
* কলা, শাৰিৰীক অথবা স্বাস্থ্য আৰু কাৰ্য শিক্ষাৰ ক্ষেত্ৰত অভিনয়
* বিদ্যালয়ত সময়সূচী/বাৰ্ষিক কাম-কাজ সূচীৰ বিশ্লেষণ
* আলোচনা চক্ৰত উপস্থাপন
* মূল্যায়ন প্ৰক্ৰিয়াত অংশ গ্ৰহণ।

**ব্যৱহাৰিক বিষয় ঃ ৩ ঃ ৫১৪ ঃ শিক্ষণ অনুশীলন** (PT)

**দ্বিতীয় বৰ্ষ**- শিক্ষা অনুশীলন ৮ ক্ৰেডিট যুক্ত প্ৰত্যেক শিক্ষক প্ৰশিক্ষাৰ্থীয়ে চাৰিটা (৪টা) বিষয়ৰ প্ৰত্যেকটোৰ ১০টাকৈ শিক্ষণ অনুশীলন পাঠ প্ৰস্তুত কৰি জমা দিব লাগিব।

বিষয়সমূহ হৈছে ঃ ভাষা, গণিত, পৰিৱেশ অধ্যয়ন, বিজ্ঞান, সমাজবিজ্ঞান।

* প্ৰত্যেক প্ৰশিক্ষাৰ্থী সমাজ বিজ্ঞান বিদ্যালয়ৰ এজন জ্যেষ্ঠ শিক্ষকৰ প্ৰত্যক্ষ তত্ত্বাৱধানত থাকিব লাগিব
* শিক্ষণ অনুশীলন পাঠ
* বিষয়ভিত্তিক দক্ষতা
* শিকৰ নিৰ্দেশনা দান কাৰ্য
* পাঠত শিক্ষাৰ্থীৰ অংশ গ্ৰহণ আৰু ইয়াৰ পৰিচালনা
* শিক্ষাৰ্থীৰ মূল্যায়ন
* বিদ্যালয়ত মুৰব্বীৰ দ্বাৰা শিক্ষণ অনুশীলন মূল্যায়ন।

**৮. বিষয়বস্তু প্ৰস্তুতকৰণ ঃ**

শিকন সামগ্ৰীসমূহ দেশৰ বিভিন্ন বিশ্ববিদ্যালয়, বিশেষীকৃত অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা নিৰ্বাচিত বিশেষজ্ঞ ব্যক্তি আৰু প্ৰতিষ্ঠানৰ (NIOS) অভ্যন্তৰীণ শিক্ষকৰ দলৰদ্বাৰা প্ৰস্তুত কৰা হৈছে। এনেদৰে প্ৰস্তুত কৰা শিকন সামগ্ৰীসমূহ NIOSত বিষয়বস্তু বিশেষজ্ঞৰ দ্বাৰা পুনঃপৰীক্ষা, এককৰ নক্সা প্ৰস্তুতকাৰীৰ দ্বাৰা পৰীক্ষা আৰু ভাষাৰ বিশেষজ্ঞৰ দ্বাৰা সম্পাদনাৰ পিছত ছপাৰ বাবে পঠোৱা হয়।

**৯. ক্রেডিট পদ্ধতি ঃ**

এই অনুষ্ঠানত ক্রেডিট পদ্ধতি ব্যৱহাৰ কৰাৰ মন। সকলো শিকন কাৰ্যাৱলী অন্তৰ্ভুক্ত কৰি প্ৰতি ক্রেডিট হৈছে ৩০ ঘন্টা যুক্ত অধ্যয়ন সময়। উদাহৰণ স্বৰূপে ৪ ক্রেডিট যুক্ত বিষয় এটাৰ বাবে মুঠ ১২০ ঘন্টা অধ্যয়ন সময়। প্ৰত্যেক বিষয়ৰ মূল্যায়ন ক্রেডিট ভিত্তিত প্ৰকাশ কৰা হয়। ইয়াৰ দ্বাৰা এজন শিৰ্ক্ষাথীয়ে কোনো এটা বিষয় কৃতকাৰ্যতাৰে সম্পূৰ্ণ কৰিবৰ বাবে শিক্ষাৰ্থীক প্ৰয়োজন হোৱা শৈক্ষিক প্ৰচেষ্টাৰ বিষয়ে জানিব পৰা যায়। এই শৈক্ষিক প্ৰগেম অৰ্জন কৰিবৰ বাবে প্ৰত্যেক শিক্ষক প্ৰশিক্ষাৰ্থী নিৰ্ধাৰিত অনুশীলন কাৰ্য এটাৰ চূড়ান্ত পৰীক্ষা আৰু ব্যৱহাৰিক কাৰ্যসমূহ কৃতকাৰ্যতাৰে সম্পূৰ্ণ কৰিব লাগিব।

**১০. সহায় প্ৰদানকাৰী ব্যৱস্থা ঃ**

শিক্ষাৰ্থীসকলক ব্যক্তিগত ভাৱে সহায় প্ৰমাণ কৰিবৰ বাবে এই অনুষ্ঠানৰ লগত যথেষ্ট সংখ্যক অধ্যয়ন কেন্দ্ৰ সংযুক্ত হৈ আছে। এই অধ্যয়ন কেন্দ্ৰসমূহৰ মাজত প্ৰাদেশিক পৰ্যায়ৰ দ্বাৰা সমন্বয় ৰক্ষা কৰা হয়। অধ্যয়নসমূহত শিক্ষাৰ্থীয়ে অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক কৰ্মশালাৰ সমন্বয়ক, অধ্যয়ন কেন্দ্ৰৰ সহকাৰী, সমল ব্যক্তি তত্বাৱধায়ক আৰু সহ-শিক্ষাৰ্থীসকলৰ লগত পাৰস্পৰিক আদান-প্ৰদান কৰিব পাৰে আৰু প্ৰসাশনিক আৰু শৈক্ষিক বিষয়ৰ ক্ষেত্ৰত পৰামৰ্শ গ্ৰহণ কৰিব পাৰে। তেওঁলোকে গ্ৰন্থাগাৰত গ্ৰন্থৰ সহায়ো ল'ব পাৰে। কৰ্ম কেন্দ্ৰ আৰু প্ৰগেম কেন্দ্ৰৰ দ্বাৰাও শিক্ষাৰ্থীক সহয় প্ৰদান কৰা হয়।

**১১. প্ৰগেম প্ৰদান কৌশল ঃ**

মুক্ত শিক্ষা ব্যৱস্থাত নিৰ্দেশনা প্ৰদান পদ্ধতি বিশেষ গুৰুত্বপূৰ্ণ এই নিৰ্দেশনা দান প্ৰক্ৰিয়াই মুক্ত শিক্ষা ব্যৱস্থাক অৰ্থপূৰ্ণ, কাৰ্যকৰী আৰু মনোগ্ৰাহী কৰি তুলিব পাৰি। এই ক্ষেত্ৰত এই প্ৰগেমৰ ক্ষেত্ৰত তলত উল্লেখ কৰা পদ্ধতিসমূহ অৱলম্বন কৰা হয়--

**১. মূল কৌশল ঃ**

⇨ আত্ম শিকন সামগ্ৰী

⇨ নিৰ্ধাৰিত কাৰ্য, যেনে- প্ৰজেক্ট, কেচষ্টাডি, পোৰ্টফোলিয় প্ৰস্তুতকৰণ ইত্যাদি

⇨ কৰ্মশালাৰ আয়োজনৰ ব্যৱস্থাকৰণ

⇨ ব্যৱহাৰিক পাঠদান

⇨ ব্যৱহাৰিক সংক্ষিপ্তসাৰ (PCP, বিদ্যালয় ভিত্তিক কাৰ্যাৱলী, কৰ্মশালা ভিত্তিক কাৰ্যাৱলী)

⇨ ব্যৱহাৰিক হাতপুথি।

**২. সমূৰক কৌশল ঃ**

⇨ শ্ৰাব্য/দৃশ্য সামগ্ৰী

⇨ টেলি সন্মিলনৰ দ্বাৰা পাঠ প্ৰদান

⇨ আন্তঃ যোগাযোগমূলক অনাঁতাৰ নিৰ্দেশনা

⇨ মোবাইলৰ যোগেদি নিৰ্দেশনা প্ৰদানৰ ব্যৱস্থাকৰণ।

**১২. ছপা সমাগ্ৰী ঃ**

এই প্ৰগেমৰ তাত্বিক আৰু ব্যৱহাৰিক উভয় বিষয়ৰ বাবে ছপা শিকন সামগ্ৰী প্ৰদান কৰা হয়। একো একোটা 'ব্লক' হিচাপে এই শিকন সামগ্ৰীসমূহ শিক্ষাৰ্থীক যোগান ধৰ হয়। প্ৰত্যেক 'ব্লক'ত ২-৪ টা একক থাকে। প্ৰত্যেক বিষয়ৰে একোটা 'কোড নম্বৰ' থাকে। NIOS-এ শিক্ষক সামগ্ৰীসমূহ আৰু লগতে নিৰ্ধাৰিত অনুশীলন কাৰ্য তালিকা অধ্যয়ন কেন্দ্ৰসমূহলৈ প্ৰেৰণ কৰে। কোনো কাৰণত শিক্ষাৰ্থীয়ে শিকন সামগ্ৰী নাপালে NIOS ইয়াৰ বাবে জগৰীয়া নহয়।

**১৩. নিৰ্দেশনা (সন্মিলন/বৈঠক) বা সময় ঃ**

দুৰ শিক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ্থী আৰু নিৰ্দেশকৰ নামজ যোগাযোগ বা সংযোগ আংশিকভাৱে কম। অন্য কোনো মাধ্যমৰ দ্বাৰা প্ৰশিক্ষাৰ্থীৰ কোনো উত্তৰ প্ৰদানৰ ব্যৱস্থা নাথাকিলে আৰু সন্দেহ দূৰ কৰিব নোৱাৰিলে এই সংযোগ বা যোগাযোগৰ ব্যৱস্থা কৰা হয়। ইয়াৰ যোগেদি প্ৰশিক্ষাৰ্থীয়ে অন্যান্য প্ৰশিক্ষাৰ্থীসকলক লগ পোৱাৰ সুযোগ লাভ কৰে।

প্ৰশিক্ষাৰ্থীয়ে অধ্যয়নৰ বাবে নিৰ্বাচন কৰা বিষয়ত নিৰ্দেশনা প্ৰদানৰ বাবে অধ্যয়ন কেন্দ্ৰত শৈক্ষিক নিৰ্দেশক থাকে। সাধাৰণতে এই বৈঠকসমূহ অধ্যয়ন কেন্দ্ৰত দেওবাৰ বা আন বন্ধ দিনত অনুষ্ঠিত কৰা হয়।

প্ৰশিক্ষাৰ্থীসকলে জনা উচিত যে এই নিৰ্দেশনা বৈঠকসমূহ গতানুগতিক শ্ৰেণী শিক্ষা বা বক্তৃতাতকৈ পৃথক। শৈক্ষিক নিৰ্দেশকসকলে ইয়াত গতানুগতিক পদ্ধতিৰে কোনো বক্তৃতা প্ৰদান নকৰে। তেখেতসকলে প্ৰশিক্ষাৰ্থীসকলে **ডি.এল.এড** প্ৰগেমৰ অধ্যয়নৰ বাবেহে প্ৰশিক্ষাৰ্থীসকলক সহায় কৰে। এই বৈঠকসমূহত প্ৰশিক্ষাৰ্থীসকলে তেওঁলোকৰ বিষয়কেন্দ্ৰিক অসুবিধা বা সন্দেহসমূহ যাত্ৰা সম্ভৱ দুৰ কৰি ল'ব লাগে।

প্ৰত্যেক বিষয়ৰ নিৰ্দেশনা বৈঠকসমূহত উপস্থিত থকাৰ আগতে অনুগ্ৰহ কৰি বিষয় সামগ্ৰীসমূহ অধ্যয়ন কৰিব লাগে। সূচী অনুযায়ী আৰু আলোচনাৰ দিশসমূহৰ পৰিকল্পনা কৰিব লাগে) প্ৰশিক্ষাৰ্থীয়ে একক সমূহ অধ্যয়ন নকৰিলে আলোচনা অসুবিধাজনক হ'ব আৰু ফলত ই ফলদায়ক নহ'ব।

প্ৰগেমৰ সাধাৰণ সময়সূচীৰ ভিতৰত অধ্যয়ন কেন্দ্ৰৰ সমন্বয়কে এই নিৰ্দেশনা বৈঠকসমূহৰ সময় নিৰ্ধাৰণ কৰিব। অধ্যয়ন কেন্দ্ৰৰ সমন্বয়কে ইয়াৰ এক নিৰ্ধাৰিত সময়সূচী প্ৰদান কৰিব। এই বৈঠকসমূহত মুলতঃ ছপা সামগ্ৰীসমূহৰ ক্ষেত্ৰত থকা সন্দেহসমূহ দূৰ কৰাৰ ব্যৱস্থা কৰা হ'ব। এই নিৰ্দেশনা বৈঠকসমূহ তাত্বিক বিষয়ৰ বাবে বিশেষভাৱে ব্যৱস্থা কৰা হ'ব। প্ৰত্যেক শিক্ষকে প্ৰশিক্ষাৰ্থীৰ বাবে ৯টা তাত্ত্বিক বিষয়ত নিৰ্দেশনা বৈঠক সন্মিলনৰ ব্যৱস্থা কৰিব লাগিব। এবছৰত নূন্যতম ১৫দিন এই নিৰ্দেশনামূলক বৈঠক/ সন্মিলনৰ ব্যৱস্থা থাকিব আৰু প্ৰত্যেক শিক্ষাৰ্থীৰ বাবে এই বৈঠকত ৭৫% উপস্থিত বাধ্যতামূলক। এই নিৰ্দেশনামূলক বৈঠকত উপস্থিতিৰ বাবে কোনো ক্ৰেডিট দিয়া নহ'ব। এই উপস্থিতি চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ যোগ্যতাৰ চৰ্ত হিচাপেহে বিবেচিত হয়। নিৰ্দেশনামূলক বৈঠকৰ সূচী পৰিশিষ্ট --১-৩ দিয়া হৈছে।

**১৪. ব্যৱহাৰিক পৰীক্ষাৰ পৰিচালনা ঃ**

ব্যৱহাৰিক কাৰ্যসমূহত উপযুক্ত সহায় প্ৰদানৰ বাবে ৰাষ্ট্ৰৰ লগত আলোচনা NIOS বিভিন্ন অধ্যয়ন কেন্দ্ৰৰ ব্যৱস্থা কৰিছে। ইয়াত দুবছৰীয়া পাঠ্যক্ৰমৰ প্ৰতিটো কৰ্মৰ বাবে ১২ দিনীয়াকৈ কৰ্মশালাৰ আয়োজন কৰা হ'ব।এই কৰ্মশালাসমূহ বিশেষভাৱে দীঘলীয়া বন্ধ দিনত আয়োজন কৰা হ'ব।

অধ্যয়ন কেন্দ্ৰসমূহ DIET/PTTI/BRC-ত থাকিব। ইয়াত শৈক্ষিক নিৰ্দেশনা আৰু ব্যৱহাৰিক কৰ্মশালাসমূহ পৰিচালনা কৰা হ'ব। এই কৰ্মশালাসমূহ অধ্যয়ন কেন্দ্ৰ কৰ্মশালা/সমন্বয়কৰ দ্বাৰা পৰিচালিত হ'ব। প্ৰতি অধ্যয়ন কেন্দ্ৰত সৰ্বাধিক ১০০জন ছাত্ৰ থাকিব পাৰিব।

প্ৰশিক্ষাৰ্থী জড়িত হৈ থকা অধ্যয়ন কেন্দ্ৰৰ বিষয়ে NIOS অধ্যয়ন কেন্দ্ৰৰ কক্ষৰ পৰা প্ৰশিক্ষাৰ্থীক বিশদভাৱে জনোৱা হ'ব।

ব্যৱহাৰিক পৰীক্ষাসমূহ প্ৰশিক্ষাৰ্থীৰ বিদ্যালয়ত (কৰ্মৰত) আৰু অধ্যয়ন কেন্দ্ৰৰ দ্বাৰা নিৰ্ধাৰিত বিদ্যালয়ত অনুষ্ঠিত হ'ব। ব্যৱহাৰিক বিষয় সম্পৰ্কত আগতে উল্লেখ কৰাৰ দৰেই ব্যৱহাৰিক কাৰ্যসমূহত বিদ্যালয় ভিত্তিক আৰু কৰ্মশালাভিত্তিক কাৰ্যাৱলী, নিৰ্ধাৰিত কাৰ্যাৱলী আৰু শিক্ষন অনুশীলন অন্তৰ্ভুক্ত। বিদ্যালয়ভিত্তিক কাৰ্যাৱলী, নিৰ্ধাৰিত কাৰ্যৱলী আৰু শিক্ষক অনুশীলন শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ কৰ্মক্ষেত্ৰ নিৰ্ধাৰিত বিদ্যালয়ত পৰিচালিত হ'ব। কৰ্মশালাভিত্তিক ব্যৱহাৰিক কাৰ্যসমূহ মুঠ ২৪ দিনীয়া ব্যৱহাৰিক কৰ্মশালাত সম্পাদিত হ'ব। (প্ৰতি কৰ্মশালা ১২দিনীয়া হ'ব)। এই কৰ্মশালা দুটাত মুখামুখি আন্তঃ ক্ৰিয়াৰ যোগেদি বিভিন্ন কৌশল আৰু দক্ষতাৰ বিকাশত গুৰুত্ব দিয়া হ'ব। এই ক্ষেত্ৰত নিৰ্ধাৰিত বিদ্যালয়ৰ অধ্যক্ষ প্ৰধান শিক্ষকৰ অনুমতি সাপেক্ষে নিৰ্ধাৰিত জ্যেষ্ঠ শিক্ষকক তত্বাৱধাক বা পৰামৰ্শদাতা হিচাপে লৈ এই

কাযসূচীসমূহ পৰিচালনা কৰা হ'ব। এজন শিক্ষক প্ৰশিক্ষাৰ্থীয়ে প্ৰায় যোগাযোগ ৭৫০ ঘন্টা বিভিন্ন ব্যৱহাৰিক কাৰ্যৰ বাবে ব্যয় কৰিব লাগিব।

**ব্যৱহাৰিক আৰু সংযোগ বৈঠক/সন্মিলন ঃ**

বিষয় প্ৰদানৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ উপাদান হৈছে 'ইন্টাৰনশ্বিপ' আৰু সংযোগ বা যোগাযোগ বৈঠক। 'ইন্টাৰনশ্বিপ'ত তিনি প্ৰকাৰৰ ব্যৱহাৰিক কাৰ্য অন্তৰ্ভুক্ত, যেনে ঃ বিদ্যালয় ভিত্তিক, কৰ্মশালাভিত্তিক আৰু শিক্ষণ অনুশীলন। প্ৰতি বৰ্ষৰ ১২দিনীয়া কৰ্মশালা, প্ৰথম বৰ্ষৰ বিদ্যালয় ভিত্তিক কাৰ্যাৱলী আৰু দ্বিতীয় বৰ্ষৰ শিক্ষণ অনুশীলন নিৰ্ধাৰিত জ্যেষ্ঠ তত্ত্বাবধায়ক বা পৰামৰ্শদাতাৰ তত্ত্বাবধানত পৰিচালিত হ'ব। অধ্যয়ন কেন্দ্ৰ সমূহত প্ৰতিবছৰত ব্যক্তিগত সংযোগ বৈঠকসমূহত ১৫ টা নিৰ্দেশনা বৈঠক অন্তৰ্ভুক্ত হ'ব। এই বৈঠকসমূহৰ বাবে নিৰ্ধাৰিত সময় তলত উল্লেখ কৰা হ'ল--

**১৫. বিষয়ভিত্তিক নিৰ্ধাৰিত কাৰ্য অনুশীলন ঃ**

বিষয়ভিত্তিক নিৰ্ধাৰিত কাৰ্য বা অনুশীলন সমূহ (আত্মশিকন সামগ্ৰীৰ লগত প্ৰদান কৰা) নিৰ্দেশনা দান প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংগ। প্ৰত্যেক তাত্ত্বিক বিষয়তেই এই কাৰ্য বা অনুশীলনসমূহ থাকে। প্ৰগেম নিৰ্দেশনাত নিৰ্ধাৰণ কৰা নিৰ্ধাৰিত সূচী অনুযায়ী এই কাৰ্য বা অনুশীলনসমূহ প্ৰশিক্ষাৰ্থীয়ে নিজৰ অধ্যয়ন কেন্দ্ৰত প্ৰদান কৰিব লাগিব। কোনো কাৰণত কোনো প্ৰশিক্ষাৰ্থীয়ে এই নিৰ্ধাৰিত কাৰ্য বা অনুশীলনসমূহ বিচাৰিলে তেওঁলোকে ইয়াৰ প্ৰতিলিপি অধ্যয়ন কেন্দ্ৰৰ পৰা অথবা NIOSৰ ৱেইচাইড www.nios.ac.in পৰা 'ডাউনলড' কৰি ল'ব পাৰিব।

নিৰ্ধাৰিত কাৰ্য বা অনুশীলন প্ৰস্তুতৰ ক্ষেত্ৰত তলত উল্লেখ কৰা দিশকেইটাৰ প্ৰতি চকু ৰাখিব লাগিব--

১) উত্তৰসমূহ চমু আৰু সুশৃংখলিত হ'ব লাগে। অপ্ৰয়োজনীয় বৰ্ণনা বৰ্জন কৰি প্ৰশ্নৰ বিভিন দিশত গুৰুত্ব দিব লাগে।

২) নিৰ্ধাৰিত কাৰ্য অনুশীলনৰ শব্দৰ সীমাৰ (যদি দিয়া থাকে) প্ৰতি লক্ষ্য ৰাখিব লাগে। উত্তৰ প্ৰগেমৰ ক্ষেত্ৰত যথাসম্ভৱ এই শব্দ সীমাৰ ভিতৰত উত্তৰ সীমাবদ্ধ ৰখাৰ যত্ন কৰিব লাগে। অৱশ্যে বৰ্ণনাসমূহ উপযুক্ত হোৱাৰ লগত উত্তৰ অতি চুটি হ'ব নালাগে। শব্দ সীমা প্ৰদানৰ উদ্দেশ্য উত্তৰ সুনিৰ্ধাৰিত কৰাহে, প্ৰশিক্ষাৰ্থীৰ ভাব প্ৰকাশত বাধা প্ৰদান কৰা নহয়।

৩) প্ৰশিক্ষাৰ্থীয়ে নিজৰ হাতৰ আখৰেৰে অনুশীলনীসমূহৰ উত্তৰ লিখব লাগিব। যদি হাতৰ আখৰ অতি বেয়া হয় তেন্তে টাইপ কৰিও উত্তৰসমূহ পঠাব পৰা যাব।

৪) প্ৰশিক্ষাৰ্থীয়ে নিৰ্ধাৰিত সময়সূচী অনুযায়ী নিজৰ অধ্যয়ন কেন্দ্ৰলৈ অনুশীলনীসমূহ পঠাব লাগিব। বিষয়ভিতিক অনুশীলনীসমূহ প্ৰদানৰ সময়সূচী পৰিশিষ্ট- ২-৩ প্ৰদান কৰা হৈছে।

প্ৰত্যেক বিষয়ৰ বাবে ৩০% মূল্যযুক্ত ৩টা (২টা তাত্ত্বিক + ১টা ব্যৱহাৰিক) অনুশীলনী জমা দিব লাগিব। এই ক্ষেত্ৰত ব্যৱহাৰিক অনুশীলনীৰসমূহৰ মূল্যামান ১০% আৰু তাত্ত্বিকৰ ২০% অনুশীলনীসমূহত কোনো বিকল্প নাথাকে, সকলোবিলাক বাধ্যতামূলক। মুঠতে অনুশীলনীৰ সংখ্যা হয় ২৭টা। এই অনুশীলনীসমূহ অধ্যয়ন কেন্দ্ৰত নিৰ্ধাৰিত সময়সূচী অনুযায়ী জমা দিব লাগিব। প্ৰশিক্ষাৰ্থীয়ে অনুশীলনীসমূহৰ একোটা প্ৰতিলিপি নিজৰ লগত জমা ৰখাটো ভাল।

**'অনুশীলন উত্তৰ' আৰু অন্যান্য বস্তু পঠোৱাৰ ব্যৱস্থা ঃ**

- ⇨ প্ৰশিক্ষাৰ্থীয়ে 'অনুশীলন উত্তৰ'ৰ প্ৰথম পৃষ্ঠাৰ একেবাৰে ওপৰৰ সোঁহাতে নিজৰ ভৰ্ত্তি নম্বৰ, নাম, সম্পূৰ্ণ ঠিকনা আৰু তাৰিখ লিখিব লাগিব।
- ⇨ প্ৰথম পৃষ্ঠাৰ ওপৰৰ সোমাজত বিষয়ৰ 'কোড' আৰু অনুশীলনী 'কোড' লিখিব লাগিব। (প্ৰথম পৃষ্ঠা একেবাৰে ওপৰৰ বাওঁফালৰ অংশ কাৰ্যালয়ৰ ব্যৱহাৰৰ বাবে খালি ৰাখিব লাগিব।)
- ⇨ মুঠতে উত্তৰৰ প্ৰথম পৃষ্ঠাৰ তলত দিয়া ধৰণৰ হ'ব।
- ⇨ ওপৰত উল্লেখ কৰা ধৰণৰে অনুশীলনীৰ উত্তৰ জমা দিয়াটো বাধ্যতামূলক, অন্যথা প্ৰশিক্ষাৰ্থীক 'অনুশীলনীৰ উত্তৰ' সমূহ পুনৰ জমা দিবৰ বাবে ঘুৰাই পঠোৱা হ'ব। যদি প্ৰশিক্ষাৰ্থীৰ ভৰ্ত্তি নম্বৰ আৰু ঠিকনা ভুল কৈ লিখা থাকে, তেন্তে তেওঁলোকৰ 'অনুশীলন উত্তৰ' সমূহ হেৰাই যোৱাৰ সম্ভাৱনা থাকিব।
- ⇨ অনুশীলনীৰ উত্তৰসমূহ সকলো দিশৰপৰা সম্পূৰ্ণ হ'ব লাগিব। সম্পূৰ্ণ উত্তৰৰ ফলত প্ৰশিক্ষাৰ্থীয়ে নিম্ন 'গ্ৰেড পাব। উত্তৰসমূহ অংশ-অংশকৈ পঠাব নালাগে। কাৰণ এই উত্তৰসমূহ কাৰ্যালয়ত লগ লগাব পৰা নাযাব।
- ⇨ উত্তৰ প্ৰদানৰ বাবে 'ফুলস্কেপ' কাগজ ব্যৱহাৰ কৰিব। বেছি পাতল বা বিভিন্ন ধৰণৰ কাগজ ব্যৱহাৰ কৰিব নালাগে।
- ⇨ বাওঁহাতে 3" / 2" খালি ঠাই ৰাখিব লাগে আৰু প্ৰতি অনুশীলনীৰ অন্তত ৪(চাৰি) শাৰী মান ব্যৱধান ৰাখি আন অনুশীলনী আৰম্ভ কৰিব লাগে, যাতে মূল্যায়নকাৰীয়ে প্ৰয়োজন বোধে অনুশীলনী সম্পৰ্কে মতামত লিখিব পাৰে।
- ⇨ প্ৰশিক্ষাৰ্থীয়ে SLM ৰ ওপৰত ভিত্তি কৰি উত্তৰসমূহ প্ৰদান কৰিব লাগে।

- ⇨ প্ৰশিক্ষাৰ্থীয়ে ছপা কৰা কোনো নিজৰ প্ৰবন্ধ অনুশীলনীৰ উত্তৰ হিচাপে পঠাব নালাগে।
- ⇨ অনুশীলনীৰ উত্তৰসমূহৰ একোটা প্ৰতিলিপি সদায় নিজৰ লগত ৰাখিব লাগে। কাৰণ তাক বেমেজালিৰ বাবে কোনো ক্ষেত্ৰত উত্তৰসমূহ হেৰালে পুনৰ জমা দিবৰ বাবে প্ৰশিক্ষাৰ্থীৰ কোনো অসুবিধা নহ'ব।
